তৃতীয় গোট : আবৃত্তিৰ কৌশল, স্বৰ কম্পন, স্বৰ ক্ষেপণ, সঠিক উচ্চাৰণ, সুৰ আৰু লয়ৰ প্ৰয়োগ

## আবৃত্তি কৰাৰ কৌশল

আবৃত্তি বুলিলে কম বেছি পৰিমাণে মানুহে টানি টানি শব্দবিলাক উচ্চাৰণ কৰি বা চিঞৰি গোৱা কবিতাকে বুজি পায়। বৰ্তমান আমাৰ দেশত আবৃত্তি আৰু গানৰ মাজত পাৰ্থক্যকে ধৰা নাযায়। কিছুমান কবিতা অৱশ্যেই তবলাৰ তালৰ বোলৰ লগত মিলাই গাব লগা হয়। বিশেষকৈ যুদ্ধভূমিলৈ আগুৱাই যোৱা কবিতা এটা শ্ৰদ্ধাঞ্জলি সূচক এটা কবিতা পৰিবেশনৰ ছন্দ নিশ্চয় একে নহয় । মানে দুয়োটা পৰিবেশৰে কবিতাৰ ভাব -ৰস একে নহয় সেয়ে ছন্দ-লয়ো একে নহয়। যুদ্ধভূমিলৈ আগুৱাই যোৱা কবিতাৰ যি শব্দপ্ৰক্ষেপণ বা ৰৌদ্ৰ ৰসৰ যিধৰণৰ আবৃত্তি হ'ব একেধৰণেৰে এটা কৰুণ ৰসাত্মক কবিতাৰ আবৃত্তি নহয়। সেয়ে কবি বা নতুনকৈ আবৃত্তি কৰিবলৈ লোৱা যুৱচামে ক'ত কেতিয়া কেনেধৰণৰ আবৃত্তি কৰিব লাগে সেয়া জনাৰ লগতে পৰিবেশগত ধাৰণাটো আবৃত্তি কৰোতে লক্ষ্য কৰি ল'ব লাগে। ইতিমধ্যেই অসমত আবৃত্তি এক জনপ্ৰিয় কলাৰূপে পৰিগণিত হৈছে বাবেই বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে আবৃত্তিৰ প্ৰতিযোগিতাবিলাক সময়ে সময়ে অনুষ্ঠিত কৰি অহা দেখা যায়। কিন্তু শিশুদিৱসত প্ৰতিযোগিতাৰ কবিতা নিৰ্বাচন কৰে জ্যোতিপ্ৰসাদ আগৰৱালাৰ ' অসমীয়া ডেকাৰ উক্তি'। শিশু এটাই কেতিয়াও ডেকাজনৰ কথাৰ লগত একাত্ম হ'ব নোৱাৰে সেয়ে সংগঠক সকলে নিজৰ বয়সৰ কবিতা এটা কেতিয়াও আবৃত্তি প্ৰতিযোগিতাৰ বাবে নিৰ্বাচন কৰিব নালাগে । শিশুৱে বুজি পোৱা আৰু আবৃত্তি কৰি আনন্দ পোৱা শিশুৰ মনস্তত্বত প্ৰভাৱ পেলোৱা বা শিক্ষণীয় বিষয় সম্বলিত কবিতাহে নিৰ্বাচন কৰিব লাগে। এইবোৰ ক্ষেত্ৰত আমাৰ দেশত আবৃত্তি বিষয়ক চৰ্চাৰ এতিয়াও সীমাবদ্ধতা আছে। এইক্ষেত্ৰত এনে বিষয়বোৰ চালি-জাৰি চাই এক সুস্থ মানসিক চিন্তাৰ উদ্ৰেক কৰাৰ প্ৰয়াসেৰে আমি কিছু আবৃত্তি বিষয়ক আনুষ্ঠানিক শিক্ষাৰ ব্যৱস্থা কৰাৰ প্ৰয়াস কৰি আহিছো । সেই সূত্ৰেই আবৃত্তি বিষয়ক কিছু কথা আমাৰ চিন্তাৰে ব্যক্ত কৰিবলৈ প্ৰয়াস কৰিছো।

## আবৃত্তিৰ ধাৰণাঃ

আবৃত্তি শব্দৰ ব্যুৎপত্তি হ'ল – আ পূৰ্বক বৃত্ত - আবৃত্তি। প্ৰাচীন ভাৰতীয় অৰ্থত বৃত্ত মানে পদ্যক বুজায়। নিৰ্দিষ্ট সংখ্যক ধ্বনি পৰ্যায়ক্ৰমে আবৰ্তিত হয় বাবেই কবিতা অৰ্থাৎ মাত্ৰা সমতা ,আখৰৰ সমতা, পৰ্ব সমতাৰে অন্ত্যমিল থকা চৰণ বিলাকক লৈ ৰচনা কৰা পদ্যকে বৃত্ত বোলা হৈছিল। বৃত্ত তথা পদ্যত থকা যি ছন্দবদ্ধ ধ্বনি সমষ্টিৰ আৱৰ্তন অভ্যাসেই আবৃত্তি। আবৃত্তিৰ শাব্দিক অৰ্থ হ'ল অভ্যাস, আলোচনা ,মুখস্থ পাঠ বা আওৰাই কোৱা। কিন্তু ইয়াৰ কোনো শব্দই আবৃত্তি শব্দৰ প্ৰকৃত অৰ্থৰ প্ৰতীকি ব্যঞ্জনাক প্ৰতিনিধিত্ব কৰিব নোৱাৰে। প্ৰকৃততে আবৃত্তি এক প্ৰকাৰ কণ্ঠকলা। কলা মাত্ৰেই আনন্দ দান কৰা, আনন্দ লাভ কৰা। অৰ্থাৎ কলাকাৰৰ ভাব অনুভূতিক আবেগপূৰ্ণভাৱে পৰিৱেশন কৰি শ্ৰোতা বা দৰ্শকৰ হৃদয়ত আবেগ অনুভূতি জগাই তুলি ৰসাস্বাদন কৰোৱাৰ প্ৰয়াস কৰা। গতিকে কলা বুলিলেই সৃজনশীলতাৰ প্ৰসংগটোও আহি পৰে। এই দিশৰ পৰা আবৃত্তি এক সৃষ্টি। এইক্ষেত্ৰত কবিতাৰ পুন নিৰ্মাণৰ কথাটো সংপৃক্ত হৈ পৰে। অৰ্থাৎ কবিয়ে কবিতাক শব্দ শিল্প ৰূপে সৃষ্টি কৰে আৰু আবৃত্তিকাৰে কবিতাটোত প্ৰাণ প্ৰতিষ্ঠা কৰি কবিতাটোক পুন নিৰ্মাণ কৰে। গদ্য বা পদ্য বা নাট্য সংলাপৰ পঠন শুনিবলৈ ভাল লাগিলেই অৱশ্যে প্ৰকৃত আবৃত্তি নহয়। পঠন কৰিবলৈ লোৱা পাঠৰ বিষয়বস্তুক পৰিশীলিত উচ্চাৰণৰ দ্বাৰা শব্দক বাঙ্ময় কৰি কণ্ঠস্বৰৰ মড লৈছনৰ যোগেদি ভাব-ৰস প্ৰকাশ পোৱাকৈ ছন্দ,তাল ,লয় আৰু সুৰলহৰৰ সূচীবিলাক ৰক্ষা কৰি ক্ৰিয়াৰ ভাবৰূপ আবেগপূৰ্ণভাৱে প্ৰকাশ কৰাকহে আবৃত্তি বোলা যায়। কিয়নো 'পুনঃ পুনঃ অৰ্থানুসন্ধানং আবৃত্তিঃ '। বাৰে বাৰে মানে পুনৰাবৃত্তি কৰি পাঠ কৰি কবিতাৰ ভাব-বস্তু উদ্ধাৰ কৰাই হ'ল আবৃত্তি।

## আবৃত্তিৰ কৌশলঃ

আবৃত্তি কৰাৰ প্ৰাকমুহূৰ্তত কণ্ঠক প্ৰস্তুত কৰি কেনেকৈ কবিতাটোৰ আবৃত্তি পৰিৱেশন কৰিব সেই সম্বন্ধে কিছু আভাস ব্যক্ত কৰা হ'ল -

আবৃত্তি হ'ল মুখস্থ পাঠ । সেয়ে ই স্মৃতিনিৰ্ভৰ পাঠ। সেইবুলি আবৃত্তি কেৱল মুখস্থ কৰি এফালৰ পৰা আবেগ ৰহিত বা নিৰাসক্তভাৱে মাতি গলেই নহয়। আবৃত্তিৰ বাবে লাগিব পৰিশীলিত উচ্চাৰণ, উদাত্ত কণ্ঠ, ভাব অনুসৰি শব্দ প্ৰক্ষেপণ কৰিব পৰাকৈ কণ্ঠস্বৰৰ আৰোহণ অৱৰোহণৰ অনুশীলন, যতি-বিৰামৰ সুস্পষ্ট ধাৰণা,ৰস আৰু ছন্দ সম্বন্ধে জ্ঞান। এইবিলাক ব্যাকৰণসিদ্ধ কথাৰ প্ৰতি

গুৰুত্ব দি আবৃত্তি কৰিলেহে কবিতাই প্ৰাণ পায় উঠিব। যিহেতু 'আবৃত্তি সৰ্বশাস্ত্ৰানাং বোধাদপি গৰিয়সী' — আবৃত্তিয়ে সকলো শাস্ত্ৰৰ বোধশক্তি বৃদ্ধি কৰাত মহান ভূমিকা লয়। তাতেই 'পাঠেই পূৰ্ণ কৰে কবিতাৰ জীৱন' বোলা কথাষাৰৰ প্ৰতিফলন দেখা যায়।

**<u>আবৃত্তি কৰিবলৈ হ'লেঃ</u>**

ক) আবৃত্তি কৰিবলৈ হ'লে প্ৰথমে কবিতাটোৰ বা নাট্য সংলাপটোৰ অৰ্থ বুজি বাৰে বাৰে পঢ়ি মুখস্থ কৰি লোৱাটো বাঞ্ছনীয়। কিন্তু কেৱল মুখস্থ কৰি চিঞৰি আবেগ ৰহিতভাৱে মাতি গ'লেও আবৃত্তি নহয়।

খ) মুখস্থৰ লগে লগে যতি বিৰাম বিলাকক সঠিকভাৱে প্ৰয়োগ কৌশল আয়ত্ত কৰি ল'ব লাগে। প্ৰায়ে দেখা যায় যে মানুহে কথা কওঁতে তথা আবৃত্তিকাৰেও যতিবিলাকক সফলভাৱে প্ৰয়োগ নকৰে। উদাহৰণত ক'ব পাৰি বৈদ্যুতিন সাংবাদিক বা বাতৰি পৰিবেশক বিলাকে বৈদুতিন মাধ্যম বিলাকত বাতৰি পৰিবেশন কৰোতে মুখ্য-মন্ত্ৰী , আলো-চনা, কাঞ্চন-জংঘা,শিৱ-সাগৰ,যোৰ-হাট এনেধৰণেৰে শব্দ প্ৰক্ষেপণ কৰে ফলত অৰ্থবিভ্ৰাট হোৱাৰ লগতে শ্ৰুতিকটু হৈ পৰে। যতি হ'ল য'ত বিৰতি ললে অৰ্থবিভ্ৰাট নহয় সেইঠাইত বোৱা, অৰ্থাৎ কলাসম্মতভাৱে লোৱা বিৰতি। পাঠৰ সময়ত বিৰাম গ্ৰহণৰ এক বিশেষ ৰীতি আছে। বিৰাম সেই সময়তেই লব লাগে যেতিয়া অৰ্থৰ সমাপ্তি হয়। ছন্দ অনুসাৰে যে বিৰাম নিৰ্দিষ্ট হয় তেনে নহয়। সময়আৰু বিষয়গত ভাব অনুসৰি এক, দুই বা তিনি-চাৰিটা শব্দৰ পাছতো বিৰাম দিব লগা হ'ব পাৰে। যেনে - "দেশ/ সি যে নহয় মাথোন/ এচমকা মাটি/ অথবা নহয়/আকৌতে উজুটি খোৱা/এচকল পৃথিৱীৰ/অঁকৰা হাতেৰে অঁকা/ সমতল ছবি মাথোঁ/ভূগোল বহীৰ" — ইয়াত 'দেশ' এটা শব্দৰ পিছতে বিৰাম দিব লগা হৈছে। 'সি যে নহয় মাথোন' অকনমান বিৰাম লৈ বাক্যৰ অৰ্থ সম্পূৰ্ণ হওঁতেহে পূৰ্ণ বিৰতি লব লাগে ইত্যাদি। নাট্যশাস্ত্ৰৰ প্ৰণেতা ভৰতৰ বিৰাম সম্বন্ধে উপদেশসূচক উক্তি -' বিৰামাৰ্থানুদৰ্শকঃ' । অৰ্থাৎ অভিনয়ত উপযুক্তস্থানত বিৰামৰ প্ৰয়োগ কৰিলেই অৰ্থ স্পষ্ট হব। অৱশ্যে উপযুক্ত বিৰামকেই ব্যৱহাৰ কৰিলেই অৰ্থবোধ হ'ব -যদিহে উপযুক্তভাৱে অলংকাৰবিলাককো প্ৰয়োগ কৰা হয় তেতিয়াহে। এইক্ষেত্ৰত শ্বাস নিশ্বাস গ্ৰহণৰ প্ৰক্ৰিয়াও যুক্ত হব। সাধাৰণতে এটা পদৰ সমাপ্তিতে যদি অৰ্থ বিজ্ঞপ্তি হয় তেতিয়া

সেই ঠাইতে বিৰাম লোৱাটো আৱশ্যক। কোনো কোনো ক্ষেত্ৰত কেতিয়া শব্দ একেলগে আবৃত্তি কৰিব লগা হয় নতুবা বহুত শব্দ একেলগে উচ্চাৰণ কৰিব লগা হয় বা দ্ৰুতভাৱে আবৃত্তিৰ বাবে অনেক সময় প্ৰয়োজন হয় কেতিয়া অৰ্থ বুজি বিৰতি ল'ব লাগে।

গ) সুৰলহৰৰ সূচীবিলাকৰ সফল প্ৰয়োগ আবৃত্তিৰ বাবে অত্যন্ত প্ৰয়োজনীয়। অৰ্থাৎ বাক্যটো প্ৰশ্নবোধকত শেষ হৈছেনে ? ভাবপ্ৰকাশকত? নে অনুজ্ঞা অৰ্থত শেষ হৈছে জানি সেইমতে প্ৰকাশ কৰিব লাগে। সাধাৰণতে উ ধৰা উদাহৰণ এটা এইক্ষেত্ৰত দিব বিচাৰিছো - পাৰ্বতিপ্ৰসাদ বৰুৱাৰ [illegible] কবিতা এটাৰ উদ্ধৃতি —

"......... তুমি ল'বি আহি উজুটি মাৰিলা
খেল ভাঙি গ'ল
উচুপি উচুপি ইমান কান্দিলো
তুমি আচৰিত হৈ মুখলৈ চালা
উৰা! কান্দিছা কিয় ?
খেল ভঙা খেলহে খেলিছো আমি।' (খেল ভঙা খেল)—

ইয়াত 'উৰা' আচৰ্যবোধক ভাব প্ৰকাশ পোৱাকৈ শব্দটো উচ্চাৰণ কৰিব লাগিব। তেনেকৈ কান্দিছা কিয়ত প্ৰশ্নবোধক আৰু শেষৰ বাক্যত শান্তভাৱে পূৰ্ণযতি(দাৰি) চিহ্নৰে প্ৰকাশ কৰিব লাগে।

ড বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ 'বিষ্ণুৰাভা এতিয়া কিমান ৰাতি' এই কবিতাটোত,বাএই বাক্যত কতো কবিয়ে প্ৰশ্নবোধক সূচীৰ ব্যৱহাৰ কৰা নাই। কিন্তু আবৃত্তিৰ চৰ্চা কৰোতাসকলে প্ৰশ্নবোধকৰ ব্যৱহাৰ কৰা দেখা যায়। কবিতাৰ আবৃত্তি কৰাৰ আগতে আবৃত্তিকাৰে কবিতাটোৰ পটভূমি অধ্যয়ন কৰিহে কবিতাত প্ৰাণ প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰিব লাগে। সেয়ে সুৰলহৰৰ সূচীৰ লগতে শব্দ প্ৰক্ষেপণ অত্যন্ত গুৰুত্বপূৰ্ণ।

ঘ) কবিয়ে প্ৰকাশ কৰিবখোজা ভাৱক কলাসম্মতভাৱে শ্ৰোতাৰ কাণত অনুৰণিত কৰি হৃদয়ত আবেগ অনুভূতি জগাই তুলিবলৈ হলে শব্দৰ ধ্বনিময় প্ৰকাশেৰে কল্পচিত্ৰ এটা নিশ্চিতভাৱে অংকন কৰিব পাৰিব লাগিব। অৰ্থাৎ মনৰ চকুৰে শব্দবিলাকৰ প্ৰতীকি ব্যঞ্জনা উপলব্ধি কৰি শ্ৰোতাক এখন কল্পচিত্ৰৰ জগতলৈ লৈ যাব পাৰিব লাগিব তেতিয়াহে শব্দপ্ৰক্ষেপণ সাৰ্থকভাৱে কৰা হ'ব। আবৃত্তি

যিহেতু ব্যৱহাৰিক কলা সেয়ে প্ৰদৰ্শন তথা কৰ্মশালাৰ এইক্ষেত্ৰত অতি প্ৰয়োজন হয়। কণ্ঠচিত্ৰ এখন অংকন কৰিবলৈ হ'লে আবৃত্তিকাৰৰ কণ্ঠ পৰিশীলিত আৰু শ্বাস-প্ৰশ্বাস নিয়ন্ত্ৰিত হ'ব লাগে। যেনে জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'কাঞ্চনজংঘাৰ বুৰঞ্জী'ৰ এটা দীঘলীয়াবাক্য ,য'ত শাৰী কেবাটাও আছে—

"তুষাৰ শুভ্ৰশিৰ
মঁয়ে অভ্ৰভেদি বীৰ
মোৰ জঁটা ঝৰি ঝৰি
নিজৰি নিজৰি বয়

নিগৰি নিগৰি
অবিৰল কলকল
শৈলজা পয়োধৰা
পীয়ুস সলিলা
সুৰধ্বনি গংগা
প্ৰথমৰ প্ৰভাতৰ অৰুণৰ জ্যোতি।"

—ইয়াত পৰ্বতৰ উচ্চশিখৰৰ কথা কোৱা হৈছে গতিকে কণ্ঠস্বৰ উচ্চগামৰ পৰা ক্ৰমে নিম্নগামলৈ অৱৰোহণ- আৰোহণৰ যোগেদি তুষাৰ শুভ্ৰশিৰ বোলোতেই হিমালয়ৰ তুষাৰাবৃত শৃংগভাগ মনৰ চকুৰে শ্ৰোতাই দেখিব লাগিব, তেনেকৈ অবিৰল কলকল বোলোতে পাহাৰীয়া জুৰিৰ কলৰৱ শুনিথকা যেন অনুভৱ কৰাৰ লগতে গংগা নদীৰ ভৌগলিক অৱস্থানে কাব্যময় মায়াজাল ৰচনা কৰিব লাগিব তাকো একেটা বাক্যতে পৰিশীলিত উচ্চাৰণ আৰু নিয়ন্ত্ৰিত শ্বাস -প্ৰশ্বাসৰ দ্বাৰা ভাব অনুসৰি প্ৰৱাহিত হোৱা যতিৰে অমিতাক্ষৰ ছন্দৰ পৰিসমাপ্তিলৈকে। লগতে আটাইতকৈ গুৰুত্বপূৰ্ণ কথা শুদ্ধআৰু স্পষ্ট ৰূপত ধ্বনি উচ্চাৰণৰ দ্বাৰা কবিতাক বাঙ্ময় কৰি তুলিব পাৰিব লাগিব। যদি তুষাৰ শুভ্ৰশিৰ বুলি যতি প্ৰয়োগ কৰা হয়, মঁয়ে অভ্ৰভেদি বীৰ বুলি পূৰ্ণযতি ব্যৱহাৰ কৰা হয় তেন্তে ছন্দ পতন হ'ব । কাৰণ ভাব অনুসৰি যতিৰ প্ৰৱাহমানতা অমিতাক্ষৰ ছন্দৰ অন্যতম লক্ষণ । সেয়ে আবৃত্তি কৰোতে একেসময়তে বহু কথালৈ লক্ষ্য ৰাখিব লাগে।

ঙ)পৰিশীলিত উচ্চাৰণ বুলিলে আমি ভাষাটোৰ বৰ্ণ-ধ্বনিৰ বিজ্ঞানসন্মত উচ্চাৰণৰ কথাকে অনুভৱ কৰোঁ । আমি ভাবি লওঁ যে আমাৰ মাতৃভাষা তথা

মান্যভাষা অসমীয়া সংস্কৃত ভাষাৰ পৰা উদ্ভৱ হৈছে ।গতিকে আমি উচ্চাৰণবিলাক সংস্কৃতীয়াভাৱে কৰিব লাগে। এই প্ৰসংগতে উনুকিয়াই থওঁ যে পোনে পোনে সংস্কৃত ভাষাৰ পৰা অসমীয়া ভাষাৰ জন্ম হোৱা নাই । মাজতে প্ৰাকৃত অপভ্ৰংশ স্তৰৰ পৰা অনেক পৰিবৰ্তনৰ মাজেদি আহিহে অসমীয়া নব্যৰূপ পৰিগ্ৰহণ কৰিছে। গতিকে সংস্কৃত আসমীয়া ভাষাৰ আজো আইতাকহে সেয়ে আইতাকৰ লগত বহু মিল আৰু অমিল থাকিবই। তেনে মিল- অমিলবোৰ সাধাৰণতে ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু বাক্যতাত্ত্বিকভাৱে পৰিলক্ষিত হয়। আবৃত্তিৰ ক্ষেত্ৰত অৱশ্যেই ধ্বনিতত্ত্বৰ দিশটোৱেই বিশেষভাৱে গুৰুত্বপূৰ্ণ। অসমীয়া ভাষাৰ বৰ্ণমালা সংস্কৃতত থকাৰ দৰেই গ্ৰহণ কৰা হ'ল যদিও ধ্বনিতত্ত্বৰ দিশত বহুত পৰিবৰ্তন হ'ল। সকলো বৰ্ণই ধ্বনিতাগুণ ৰক্ষা কৰিব নোৱাৰাৰ ফলত কিছুমান বৰ্ণই সেইগুণ হেৰুৱাই কেৱল আখৰ ৰূপে ৰক্ষিত হ'ল আৰু সিবোৰে আমাৰ ভাষাৰ শব্দভাণ্ডাৰ সমৃদ্ধ কৰি থাকিল। সেয়ে সেই বৰ্ণবিলাকক বৰ্ণমালাৰ পৰা আঁতৰাই ৰখাৰ প্ৰশ্নই নুঠে। সেইবিলাকৰ ভিতৰত স্বৰবৰ্ণৰ দীৰ্ঘস্বৰ ,ব্যঞ্জনবৰ্ণৰ- মূৰ্ধণ্য বৰ্গ, দন্ত্যবৰ্গ, উষ্মবৰ্ণ শ,স,ষ উল্লেখযোগ্য। এই দুয়োটা বৰ্গীয় বৰ্ণৰ ধ্বনিৰূপ দন্ত্যমূলীয় হ'ল আৰু নামধৰি দন্ত্য-ত.. বা মুৰ্ধণ্য-ট... বুলি মাতিবলৈ লোৱা হ'ল। উষ্মবৰ্ণ কেইটাৰ উচ্চাৰিত ধ্বনিৰূপৰ বৰ্ণৰ ৰূপ এটাকে নাইকিয়া হ'ল। পশ্চতালব্যত উচ্চাৰিত উষ্মবৰ্ণ কেইটাক আখৰ ৰূপেহে পৰিগণিত হ'ল যদিও এই বৰ্ণকেইটা যুক্ত ব্যঞ্জন হলে সিহঁতে শিস্ বা সুহুৰি দিয়াৰ দৰে উচ্চাৰিত দন্ত্যত ফুচফুচাই উচ্চাৰণ কৰা ( ইছ) হৈ পৰে সেয়েহে হ্ৰস্বন্ত 'ৎ' থকাৰ পিছতো স ৰ উচ্চাৰণ ছ হয়। মানে ৎ হ্ৰস্ব হোৱাৰ বাবে যুক্তাক্ষৰ এটা নাথাকে। কিন্তু যুক্তহলে স,শ,ষ,– ইছ ৰূপে সংস্কৃতীয়া'স' হৈ পৰে এই ব্যতিক্ৰমৰ কথা নাজানিলে বৈদ্যুতিন মাধ্যমত বিশ্লেষণক (বিস্লেসন) বোলাৰ দৰে ভুল উচ্চাৰণ হ'ব। সেয়েহে শ,ষ,স বিলাক ৰ উচ্চাৰণ 'স' হব বুলি ভাষাৰ ভৱিষ্যত দ্ৰষ্টা সকলে উল্লেখ কৰিছে। যুক্তব্যঞ্জনৰ ক্ষেত্ৰত স ধ্বনিৰ সংস্কৃতীয়া উচ্চাৰণ হয় বাবে অসমীয়া ভাষাত শ,ষ আৰু স বুজাবলৈ ধ্বনিৰূপ স আৰু ইংৰাজী প্ৰতীক বৰ্ণ 'X' হয় বুলি অসমীয়া ভাষাতত্ত্বৰ প্ৰামাণ্য গৱেষক ড. বাণীকান্ত কাকতিদেৱে উল্লেখ কৰি গৈছে। তেনেদৰে ৰ,ড়ৰ উচ্চাৰণ -ৰ হ'লেও ঢ়ৰ উচ্চাৰণ কিন্তু ৰেফকাৰ যুক্ত হ (ৰ্হ)ৰ দৰে। সেয়ে বিশ্ববৰেণ্য ভুপেনদাৰ বুঢ়া লুইতক বুৰালুইত বা বুহালুইত বুলিলে অনামী অৰ্থহে প্ৰকাশ কৰিব।

স্বৰবৰ্ণৰ ক্ষেত্ৰত দীৰ্ঘ ধ্বনিবোৰে ধ্বনিতা গুণ হেৰুৱাই কেৱল আখৰ

হৈয়ে ব্যৱহৃত হয়। কিন্তু অ-বৰ্ণৰ ধ্বনি ৰূপ দুটা । এটা অ আৰু আনটো ইংৰাজীৰ 'O'ৰ দৰে উচ্চাৰণ হয় । একেদৰে এ বৰ্ণৰো ধ্বনিৰূপ দুটা এটা এ আৰু আনটো ইংৰাজী 'A'ৰ দৰে উচ্চাৰিত হয়। এইক্ষেত্ৰত ব্যাকৰণৰ নীতি নিয়ম কি আছে পঢ়িবলৈ পোৱা নাই যদিও ব্যৱহাৰিক দিশত অনুভৱ কৰোঁ যে অ বা এ ৰ পিছৰ বৰ্ণ যদি সংশ্লিষ্ট ৰূপৰ হয় তেনেহলে বহুক্ষেত্ৰত অ-অ' বা এ-এ' হোৱা দেখা যায়। কিন্তু সততে এই কথাও নাখাটে। উদাহৰণত- কত -ক'ত,কলা ক'লা কিন্তু কবি ,কবিতাত অ -অ'ৰূপে উচ্চাৰিত হৈছে। একেদৰে পেহা- পেহী ,বেলা -বেলি ইত্যাদিত পেহীৰ পে আৰু বেলিৰ বে-ৰ উচ্চাৰণ ইংৰাজী এ'ৰ দৰে হৈছে। নিয়মৰ অন্তৰ্ভুক্ত কৰিব নোৱাৰিলেও শ্ৰুতিমাধুৰ্যতালৈ লক্ষ্য কৰিয়েই পাৰ্যমানে ধ্বনিতাত্বিক দৃষ্টিভংগী ৰক্ষা কৰিয়েই শব্দৰ উচ্চাৰণ কৰিবলৈ আবৃত্তিশিল্পী, বাতৰি পৰিবেশক, সংবাদসেৱী ,অভিনেতা ,বক্তা, শিক্ষক আদিয়ে এই দিশলৈ বিশেষভাৱে গুৰুত্ব দিব লাগে।

চ)ছন্দ সম্বন্ধেও আবৃত্তি শিল্পীসকল সচেতন হ'ব লাগে কিয়নো গদ্য আৰু পদ্য তথা কবিতাৰ পাৰ্থক্য নিৰ্ণায়ক ভূমিকা পালন কৰে ছন্দইহে। ছন্দ বুলিলে আকৌ আমি মূলতঃ অন্ত্যমিল বা চৰণান্তিক মিলকহে বুজি পাওঁ। কিন্তু ছন্দ মানে কবিতাৰ ভাবৰ গতিৰ মাজলৈ যতি বা বিৰতিয়ে আনি দিয়া সৌন্দৰ্যহে। অৰ্থাৎ থমকি যোৱা , পুনৰগমনৰ আকাংখ্যাত ধাৱমানহৈ ভাবক ভিত্তি কৰি লোৱা বিৰতিতহে কাব্যিক সৌন্দৰ্য নিৰূপিত হয়। সেইবুলি য'তে ত'তে ৰৈ পুনৰ গমন কৰা নুবুজায়। য'ত ৰলে বা বিৰতি ললে অৰ্থৰ বিভ্ৰাট নহয় সেই ঠাইত ৰোৱাকহে যতি বোলা হয়। প্ৰাচীন ছন্দৰীতি অক্ষৰ সমতা ,মাত্ৰা সমতা, পৰ্ব সমতা আদি বিভিন্ন নীতি নিৰন্ধৰ দ্বাৰা পৰিচালিত হৈছিল কিন্তু বৰ্তমান তেনে নীতি নিয়মৰ উৰ্ধলৈ গৈ কবিতাই প্ৰৱহমানতা লভি অমিতাক্ষৰ ৰূপ পৰিগ্ৰহণ কৰিছে। অৰ্থাৎ ভাব যিমান দূৰলৈকে সম্প্ৰসাৰিত হ'ব যতি সিমান দূৰলৈকে গৈ থাকিব। আধুনিক কবিৰ বাবে সেয়ে অমিতাক্ষৰ ছন্দহে বেচি সফল আৰু জনপ্ৰিয় হৈ পৰিছে। কিয়নো কবিসকল আবেগৰহে বন্দী, নিয়মৰ নহয়। সেয়ে আবৃত্তি কৰোতে যথস্থানত যথাবিহিতভাৱে বিৰতি লৈ পূৰ্ণযতিৰ দিশলৈ গৈ থাকিহে কবিতাৰ আবৃত্তি কৰিব লাগে। কবিতাৰ ছন্দৰ ভিত্তিত লয় বা মাত্ৰা নিৰূপিত হয় ।এইখিনিতে মন কৰিব লগা কথা যে সকলো কবিতাৰ আবৃত্তি একে ধৰণেৰে কৰা নযায়। কোনো কবিতা দ্ৰুতলয়ত ,কোনোটো মধ্যলয়ত আৰু কোনোবাটো বিলম্বিত লয়ত

আবৃত্তি কৰিব লগা হয়। সাধাৰণতে ৰৌদ্ৰৰস বা বীৰ ৰসাত্মক কবিতা কেতিয়াও বিলম্বিত লয়ৰ হ'ব নোৱাৰে তেনেকৈ করুণ ৰসাত্মক কবিতা দ্ৰুত লয়ত পৰিবেশন কৰা নাযায়। যদি কৰা যায় তেন্তে সংগীত বেসুৰা হয় কবিতাও একেই হ'ব। কবিতাত গীতৰ দৰে স্বৰলিপি নাই সঁচা কিন্তু কবিতা প্ৰাণৱন্ত কৰিবলৈ হলে কবিতাটোৰ অন্তৰ্নিহিত আত্মাক চিনাক্ত কৰিব লাগিব আৰু সেই আত্মাই সুৰ লয় তাল নিৰ্দিষ্ট কৰি ল'ব আপোনা আপুনি। কিন্তু আবৃত্তিকাৰে সেয়া বাছি উলিয়াব পাৰিব লাগিব। প্ৰতিমাগঢ়া শিল্পীয়ে যিদৰে আকৃতি -প্ৰকৃতি ,বেশভূষা আদিৰে প্ৰতিমাৰ অভিব্যক্তি প্ৰকাশ কৰে একেদৰে আবৃত্তিকাৰেও কবিতাৰ আংগিক ,শব্দচয়ন,ভাব বস্তু,ছন্দ,লয়,তাল মাত্ৰা আৰু সমন্ধে জ্ঞান আয়ত্ত কৰি নললে সফল আবৃত্তিকাৰ হ'ব নোৱাৰিব। লোকে গানটো ভাটৌক শিকোৱাৰ দৰে শিকাই দিলে কম বয়সীয়া কিশোৰ বা শিশুৱে শুনিবলৈ ভাল লগাকৈ হয়তো প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিব পাৰিব। কিন্তু আবৃত্তিৰ সোমাই থকা কি ? কিয় ? বিলাকৰ উত্তৰ বিচাৰি নাপাব। আৰু পৰৱৰ্তী জীৱনত সেই কলাৰ উৎকৰ্ষ সাধনৰ পৰা হয়তো আঁতৰি আহিব লাগিব। এই প্ৰসংগত কোৱা হয় কবি আৰু আবৃত্তিকাৰৰ একক সত্তালৈ ৰূপান্তৰিত নহলে আবৃত্তি সফল নহয়। অৰ্থাৎ কবিয়ে লিখা কবিতাক আবৃত্তিকাৰে এনেকৈ কব লাগিব যেন সেয়া আবৃত্তিকাৰৰ নিজৰহে কথা।

ছ)তাৰোপৰি কবিতাৰ বিষয়বস্তু অনুযায়ী ৰসগ্ৰাহী কৰিবলৈ হলে আবৃত্তি কৰিবলৈ লোৱা কবিতাৰ প্ৰতি শব্দকে প্ৰাণময় কৰি প্ৰক্ষেপণ কৰিব লাগিব। কণ্ঠশিল্পীৰূপে যিসকলে গীত পৰিবেশন কৰে সেইসকলেও শব্দটো প্ৰকাশ কৰোতে যিদৰে যথাৰীতি শব্দাঘাতৰ প্ৰয়োগ কৰিব লাগে একেদৰে আবৃত্তিকাৰে কৰিব লাগে। এনে শব্দপ্ৰক্ষেপণৰ দিশত অসমত ভূপেনদাতকৈ কৌশলীব্যক্তি আন কোনোলোক আছে বুলি মনে নধৰে । 'পথাৰ' খ্যাত পৃথিৱীৰ কবি ৰাম গগৈৰ 'পথাৰ ' ড. মহেন্দ্ৰ বৰাৰ ' অজেয়আত্মাৰ দেশ'ৰ দৰে কবিতাৰ আবৃত্তি বৰ সহজ নহয়। প্ৰসংগত কৈ থওঁ যে সকলো কবিতাতে সমগ্ৰ পংক্তি তথা কথাবিলাক একেই ধৰণেৰে কৈ থকা নাযায়। শব্দআৰু অৰ্থবিশেষে কণ্ঠক আৰোহণ- অৱৰোহণ কৰি বিভিন্ন প্ৰকাৰে ব্যক্ত কৰা হয়। যেনে কেতিয়াবা এবডমিনাল বা নাভিমণ্ডলৰ পৰা স্বৰ প্ৰক্ষেপণ কৰিব লগা হয় ,কেতিয়াবা মুখগহ্বৰৰ পৰা ,কেতিয়াবা নাকৰ সংস্পৰ্শত কোৱা, কেতিয়াবা মস্তিস্কৰ পৰা নাক ,মুখ ,জিভাৰ সহযোগত কোৱা

আৰু কেতিয়াবা ফুচফুচাই কব লগা হয়। কেতিয়াবা আকৌ কম্পনৰ সহায়তো স্বৰ উপস্থাপন কৰিব লগা হয়। কিন্তু কেতিয়া কোন স্থানৰ পৰা শব্দ উচ্চাৰণ হ'ব সেয়া নিৰ্ভৰ কৰিব কবিতাৰ ভাব বস্তুৰ ভিত্তিতহে। উদাহৰণত কব পাৰি নৱকান্তবৰুৱাৰ 'কোনে কি কয়' কবিতাৰ শেষৰ অংশত থকা –

'পুবাৰ নিয়ৰে কয় টুপ টুপ টুপ
নজগাবা ভাইটিক চুপ চুপ চুপ।'

—ইয়াৰ শেষৰ শাৰীটোত কণ্ঠস্বৰ ফুচফুচাই প্ৰকাশ কৰিব লাগে কাৰণ পৰিবেশ পটভূমিয়ে তেনেকৈ কবলৈকে কবিতাটোত নিৰ্দেশ দিয়ে। অৰ্থাৎ চিঞৰি কলে ভাইটিয়ে নিশ্চয় সাৰপাই উঠিব। সেয়ে। তেনেদৰে ' এংকৰী বেংকৰী ওলাই আহা লাহে কৰি বগে সেৱা কৰি যায়' এই শাৰীটো আবৃত্তি কৰিলে শান্ত ৰসত তোষামোদকাৰী ভাবেৰে স্বাভাৱিকভাৱে ক'ব লাগিব। কিন্তু ' কব যদি কব তবে পৰাই কব ওলাই যাব নোৱাৰো দেহ্য থৰবৰ' বুলি কেকোঁৱাই দিয়া উত্তৰত কণ্ঠস্বৰত এক কম্পন দি অসুস্থতাৰ ভাও দি কিছু বিলম্বিত লয়ত কব লাগিব। অৱশ্যে এনে কৰিবলৈ আমাক কোনেও নিৰ্দেশ নিদিয়ে, মাত্ৰ কবিতাৰ প্ৰেক্ষাপটেহে তেনে কৰিবলৈ এক কলাসন্মত আৰু আত্মিক নিৰ্দেশ দিয়ে। কাৰণ আবৃত্তি এক পৰিবেশ্যমান কলা। গতিকে শ্ৰোতা-দৰ্শকক মনোৰঞ্জন দি কাব্যবস্তুক প্ৰাণৱন্ত কৰি ৰস উপলব্ধি কৰাব পৰাটো পৰিবেশকৰ দায়িত্ব। আবৃত্তিকাৰে শ্ৰোতাৰ মনৰ একঘেয়ামী আঁতৰাবৰ বাবেও মড'লেছন বা কণ্ঠস্বৰৰ স্থান পৰিবৰ্তন কৰাটো গুৰুত্বপূৰ্ণ। মড'লেছনৰ ক্ষেত্ৰত কণ্ঠ স্থাপনৰ এক বিধিবদ্ধ নিয়ম থকাৰ বাবে নাট্যকাৰ্যৰ লগত সংগীত আৰু বাদ্যৰ এটি চমৎকাৰ সংগতিৰ পৰিচয় পোৱা যায়। কণ্ঠস্থাপনৰ স্থান হৃদয়,কণ্ঠ আৰু শিৰৰ পৰাই স্বৰ আৰু কাকু দুইবিধেই প্ৰবৰ্তিত হয়। কাকু শব্দই ধ্বনিৰ বিকৃতি বুজায়। ,হৰ্ষ,দুখ ,শোক প্ৰভৃতি নানা কাৰণে স্বৰৰ যি বিকৃতি ঘটে সেয়ে কাকু ৰূপে পৰিচিত। কাকু সম্বন্ধে এজন আভিধানিক টীকাকাৰে লিখিছিল– " আদিনা কামক্ৰোধাৰ্দেগ্ৰহঃ।
কিং কুৎসিতং কুয়তেনয়া ড়ুঃ।'

–এই কুৎচিত অৰ্থই যে মন্দ অভিপ্ৰায় ব্যক্ত কৰে তেনে নহয়। ব্যৱহাৰিক দিশত ঠাট্টা ,তামাচা বা বিবিধ ইংগিত বুজুওৱাটোয়েই হ'ল কাকু স্বৰ । দূৰস্থ ব্যক্তিৰ প্ৰতি উক্তি বা বাক্য প্ৰক্ষেপণ কৰিলে শিৰোত্থিত শব্দ উচ্চাৰিত হয়। ওচৰৰ ব্যক্তিৰ প্ৰতি বাক্যবাণ প্ৰক্ষেপণ কৰিলে হয় বক্ষ বা হৃদয়ৰ পৰা উদ্ভৱ হব

আৰু ক্ৰমে শিৰ সমুত্থিত স্বৰে ন্যায়দীপ্ত্যভাব গ্ৰহণ কৰি লাহে লাহে কণ্ঠোত্থিত স্বৰৰ দৰে প্ৰশমিত হৈ আহিব। অৱশ্যে তেনেধৰণৰ প্ৰকাশৰ কিবা বৈজ্ঞানিক ভিত্তি আছেনে নাই জনা নাযায় যদিও ভৰত নাট্যশাস্ত্ৰৰ ৰচনাত তেনে ধাৰণাই প্ৰকাশ লাভ কৰিছিল।

জ) কণ্ঠস্বৰৰ বৰ্ণ হৈছে চাৰি প্ৰকাৰ -উদাত্ত,অনুদাত্ত,স্বৰিত আৰু কম্পিত।এইবিলাক কেৱল পাঠ বা আবৃত্তিত ব্যৱহাৰ হয়। হাস্য শৃংগাৰৰ ক্ষেত্ৰত স্বৰিতআৰু উদাত্ত,বীৰ,ৰৌদ্ৰ আৰু অদ্ভুত ৰসৰ ক্ষেত্ৰত উদাত্ত আৰু কম্পিত,কৰুণ আৰু ভয়ানক ৰসত উদাত্ত,স্বৰিত আৰু কম্পিত বৰ্ণৰ প্ৰয়োগ হয়। উদাত্ত বুলিলে খোলা মাতেৰে মতা বুজায়,তেনেদৰে আবৃত্তিৰ বাবে উচ্চ,দীপ্ত, মন্দ্ৰ,নীচ,দ্ৰুত আৰু বিলম্বিত ছয় প্ৰকাৰৰ অলংকাৰ আছে। পাঠ বা আবৃত্তিৰ সময়ত যিবিলাক স্বৰ প্ৰয়োগ কৰা হয় তাকে এই স্বৰবিলাকৰ মাধ্যমেৰে নানাভাৱে অলংকৃত হয় বাবেই এইবিলাকক অলংকাৰ বোলে । অৱশ্যে এই অলংকাৰ আবৃত্তিৰ ক্ষেত্ৰত ব্যৱহৃত হোৱা অলংকাৰহে ,কাব্যালংকাৰ বুলিলে আকৌ বিস্তৃত বিৱৰণৰ প্ৰসংগ আহি পৰিব।